# মীন পোনা প্ৰতিপালনেৰে আত্মসংস্থাপন

বিজ্ঞানৰ স্নাতক ভাস্কৰ শইকীয়াই স্নাতক ডিগ্ৰী সাং কৰাৰ পাছত একাণপতীয়াকৈ মীন পোনা প্ৰতিপালনত মনোনিবেশ কৰি নিজৰ লগতে পৰিয়ালটিৰো আত্ম সংস্থাপনৰ ব্যৱস্থা কৰিছে। বিগত তিনি বছৰ ধৰি শইকীয়াই মীন পোনা প্ৰতিপালনৰ ব্যৱসায়েৰে যথেষ্ট সফলতা আহৰণ কৰিছে। জিলাখনত গুণগত মান মীন পোনাৰ অভাৱ আৰু পোনা ব্যৱসায়টিৰ লগত জড়িত স্থানীয় নিৱনুৱাৰ অভাৱ উপলব্ধি কৰি শইকীয়াই ঘৰতে পৰি থকা পুখুৰীটিত (প্ৰায় ০.২০ হেক্টৰ) মীন বিভাগৰ কাৰিকৰী দিহা মৰ্মে আন জিলাৰ পৰা ফ্ৰাই পোনা আনি ফিঙ্গাৰলিঙ্গ (আঙুলি জোখৰ) কৰি বিপণন আৰম্ভ কৰে। শইকীয়াই পোনাৰ সন্তোষজনক সফলতাই পৰৱৰ্তী সময়ত পুনৰ দুটা নতুন পুখুৰী (০.৬০ হেক্টৰ জলকালি বিশিষ্ট গোটে) খান্দি Carried Over পোনা (বিশেষ প্ৰযুক্তিৰে পৰৱৰ্ত্তী বছৰলৈ ৰখা পোনা) উৎপাদন কৰিবলৈ উৎসাহিত কৰে। সেই মৰ্মে কাম হৈ আছে। শেহতীয়াকৈ কল্পতৰু আঁচনিৰ জৰিয়তে শইকীয়াই এটি অনুদান লাভ কৰি পুখুৰী উন্নয়নৰে ব্যৱসায় সম্প্ৰসাৰণ ঘটাইছে। বৰ্তমান বছৰেকত শইকীয়াই মুঠ উপাৰ্জন প্ৰায় এক লাখ টকা। উল্লেখযোগ্য যে 'এৰিয়াপছ' আঁচনিৰ সফল হিতাধিকাৰী বালিজানৰ হৰকান্ত কোঁৱৰ (সমন্বিত ধান আৰু মীন পালন) আৰু মেৰাচুকৰ পোনাৰাম বৰাৰ (সমন্বিত গাহৰি আৰু মীন পালন) প্ৰকল্প তথা মীন পালনৰ জৰিয়তে উত্তৰণে ভাস্কৰ শইকীয়াক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছে। শইকীয়াই মীন পামখন পুণৰ সম্প্ৰসাৰণৰ প্ৰচেষ্টাৰে চলিত বৰ্ষত আকৌ নতুনকৈ এটা পুখুৰী খান্দিছে। সততে শইকীয়াক দিহা পৰামৰ্শৰে সহায় কৰি আহিছে বিভাগীয় মীন সম্প্ৰসাৰণ বিষয়া ধ্ৰুৱজ্যোতি শৰ্মাই। ভাস্কৰ শইকীয়াই এই উত্তৰণত সম্প্ৰসাৰণ বিষয়া শৰ্মাৰ কাৰিকৰী দিহা-পৰামৰ্শ আৰু সহযোগিতাক কৃতজ্ঞতাৰে অপকটে স্বীকাৰ কৰে। ইতিমধ্যে জিলাখনলৈ অহা কেইবাটাও উচ্চ পদস্থ পৰিদৰ্শনকাৰী দলে শইকীয়াৰ কাম-কাজক ভূয়সী প্ৰশংসা কৰিছে। অলপতে গোলাঘাট পৰিদৰ্শনকাৰী মাননীয় বিধায়ক পানীৰাম ৰাভাৰ অধ্যক্ষতাৰে গঠিক অসম বিধানসভাৰ নিয়োগত পৰ্যালোচনা সমিতিয়েও এই পাম পৰিদৰ্শন কৰি সন্তোষ প্ৰকাশ কৰিছে। মীন বিভাগৰ বিশেষ পৰিকল্পনা বিষয়া সিদ্ধাৰ্থ পুৰকায়স্থও শইকীয়াৰ পাম পৰিদৰ্শন কৰিছে।